بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৯৭ মেত মছজিদ মোবাৰক ইছলামাবাদ টলফোর্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে তলত উল্লেখিত আয়াত কোৰ-আন পাঠ কৰি তৰজমা পঢ়ি শুনায় - (কুল আমাৰা ৰাববি বিল কিচতি ওয়া আকিমু উজুহাকুম ইনদা কুল্লি মাছজিদিওঁ ওয়াদ উহু মুখলিচিনা লাহুদ্দিন কামা বাদা আকুম জউদোন ফাৰিকান হাদা ওয়া ফাৰিকান হাক্কা আলায় হিমুজ্জালালাহ ইন্নাহুমুত্তা খাজুচ শ্বায়াতিনা আউলিয়া আমিন দুনিল্লাহি ওয়া ইয়া ছাবুনা আন্নাহুম মুহতাদোন ইয়াবানি আদামা খোজু জিনাতাকুম ইনদা কুল্লি মাছজিদিওঁ ওয়া কুলু ওয়াছৰাবু ওয়ালা তুছৰিফু ইন্নাহুল্লা ইউহিববুল মুছৰিফিন ) অর্থ্যাৎ তুমি কোৱা মোৰ প্ৰভুয়ে মোক ন্যায় বিচাৰৰ হে আদেশ দিছে। আৰু (আদেশ দিছে) তোমালোকে প্ৰাৰ্থনাৰ ঠাই (মছজিদ) আৰু সঠিক ভাৱে থিৰাং কৰিবা আৰু তেওঁৰ ধৰ্মত থাকি তেওঁক একাগ্ৰচিত্তে আহ্‌ববান কৰিবা । আদিতে তোমালোক যেনেকৈ তেওঁ সৃষ্টি কৰিছিল তেনেকৈ আকৌ সেই অৱস্থালৈ তোমালোক উভতি যাবা।

তেওঁ এটা দলক সজবাট প্ৰদৰ্শনন কৰিছে , আৰু এদলৰ পক্ষে বিপথগামী হোবাটোৱে স্থিৰ কৰা নাই। বাস্তবতে সিহঁতে আল্লাহক এৰি চুয়তানক বন্ধু হিচাপে গ্ৰহন কৰিছে ; অথচ সিহঁতে ভাৰি লৈছে যে সিহঁতেই সুপথগামী।

হে আদমৰ সন্তান-সন্ততি প্ৰত্যেক নমাজৰ সময়ত তোমালোকৰ কাপোৰ কানি চিকুনাই সুশোভিত কৰি লবা; আৰু আহাৰ কৰিবা আৰু পান কৰিবা ; (এনে কৰাত কোনো দোষ নাই ) কিন্তু সীমা চেৰাই নাযাবা কাৰণ আল্লাহ অপব্যায় কৰোঁতাজনক পছন্দ নকৰে।   (ছুৰা আৰাফ আয়াত ৩০,৩১,৩২)

হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে আলহামদু লিল্লাহ আল্লাহ তায়ালা আজি আমাক ইছলামাবাদৰ এই মছজিদ খনত জুমাৰ নমাজ পঢ়াৰ তৌফিক দান কৰিছে। সেয়ে আজি পৰাম্পৰাগত ভৱে জুমাৰ নামাজৰ সৈতে মছজিদৰ শুভ উদ্বোধনীও কৰা হৈ আছে। কিন্তু দৰাচলতে মই ইয়ালৈ স্থানান্তৰিত হৈ  অহাৰ লগে লগেই নমাজ আৰু বেলেগ প্ৰোগাম সমুহ আৰম্ভ হৈছিল। আল্লাহ তায়ালাৰ কৃপাত যোৱা দহ , পোন্ধৰ বছৰত মছজিদ নিৰ্মানৰ প্ৰতি জমাৰত এটা বিশেষ আগ্ৰহৰ জন্ম হৈছে। এইখন মছজিদ যাৰ নাম মই (মছজিদ মোবাৰক) ৰাখিছো। ইয়াৰ এই হিচাপে বেছি গুৰুত্ব আছে যে খলিফা ওয়াক্তৰ আবাস স্থলত ইয়াতেই নিৰ্মিত হৈছে। কিছুমান খিদমতকাৰী সকলেৰেও ইয়াতে থকাৰ ব্যাবস্থা কৰা হৈছে আৰু সকলো ধৰণৰ অফিচ , কাৰ্যালয় , যিবোৰৰ সৈতে মোৰ বেছি সম্পৰ্ক, সেইবোৰ অফিচও ইয়াতেই আছে। অৰ্থ্যাৎ এই ঠাই আৰু মছজিদ এইবোৰ কাৰণতেই প্ৰাণ কেন্দ্ৰ হিচাপে প্ৰাধান্য দিছে । আল্লাহ তায়ালা এই মছজিদক মছজিদ মোবাৰকৰ প্ৰতিচ্ছবি স্বৰূপ আৰু আল্লাহ তায়ালাৰ কল্যাণৰ অধিকাৰী আৰু সকলো ফালেৰে মোবাৰক বনাওঁক। যেতিয়া মই এই মছজিদখনৰ নাম দিয়া সম্পৰ্কে আলোচনা চলিছিল তেতিয়া হজৰত মছিহ মাওউদ (আইঃ) ৰ এটা ইলহাম মোৰ চকুৰ আগত ভাহি উঠিছিল যাৰ ফলস্বৰূপেই মছজিদ খনৰ এই নাম ৰখা হৈছে। সেই ইলহাম হল এয়া মোবাৰাকুন ওয়া মুবাৰিকুন ওয়া কুল্লু আমৰিন মোবাৰাকি ইয়াজআলু ফিহি। হজৰত মছিহ মাওউদ (আইঃ) ৰ ভাষাত ইয়াৰ তৰজমা হল-যে ইয়ে মছজিদ বৰকত দেহিন্দা আউৰ বৰকত ইয়াফতা হ্যায় আউৰ হৰ এক আমৰ মোবাৰক ইছ মে কিয়া জায়েগা । আল্লাহ তায়ালা হজৰত মছিহ মাওউদ (আঃ) ৰ দোৱা যি দোৱা তেখেত (আঃ)য়ে কাদিয়ানৰ মছজিদ মোবাৰকত কৰিছিল আৰু যি ব্যাকুল ইচ্ছা ইছলামৰ বিজয় পৃথিবীত সাব্যস্ত হোৱাৰ বাবে আছিল সেয়া এই মছজিদৰ সহায়ত পূৰ্ণ কৰোতা অংশ দান কৰক। ইয়ালৈ মৰকজ (কেন্দ্ৰ ) স্থানান্তৰিত হৈ অহাটো সকলো ফালেৰে কল্যাণময় কৰক। লগতে খিলাফতে আহমদীয়াৰ দ্বাৰা ৰচিত সকলো পৰিকল্পনাময় যেন আল্লাহ তায়ালাৰ কৃপাৰ অধিকাৰী হয়। আল্লাহ তায়ালা আমাৰ এই সুবিধা সমুহ বঢ়াই তোলক। আনহাতে আমাৰ শত্ৰু সকলে নিজৰ স্বাৰ্থৰ বাবে যি কল্যাণৰ দ্বাৰা আমাৰ পৰা কাঢ়ি লব বিচাৰি আছে, আল্লাহ এই মছজিদ আৰু এই নতুন কেন্দ্ৰৰ জৰিয়তে সেই কল্যাণৰ ধাৰা আগতকৈ আৰু বঢ়াই আমাৰ উন্নতি প্ৰদৰ্শন কৰক। যেতিয়ালৈকে আমি আল্লাহ তায়ালাৰ আদেশ

মতে চলি তাৰ সন্তষ্টি অৰ্জনৰ চেষ্টা কৰি থাকিম তেতিয়ালৈকে আমি আল্লাহৰ কৃপাৰ অধিকাৰী হৈ এই সকলোবোৰ উন্নতিৰ অংশীদাৰ হব পাৰিম। আল্লাহ তায়ালা যিসকলক এই নতুন বস্তিত বাস কৰিবলৈ তৌফিক দান কৰিছে আৰু যিকলে এই নতুন বস্তিৰ ওচৰে পাজৰে বসবাস কৰিবলৈ লৈছে, তেওঁলোকে নিজৰ মাজত এনেকুবা অৱস্থাৰ সৃষ্টি কৰক যাতে এই গাৱঁৰ লোক সকলে আপনালোকৰ মাজত প্ৰকৃত ইছলাম আৰু আহমদীয়াতৰ প্ৰতিচ্ছবি দেখিবলৈ পায়। ইয়াতে বাস কৰা সকলে এতিয়া এটা নতুন পৰিবেশ লাভ কৰিছে গতিকে ইয়াৰে স্থানীয় লোকসকলে আমাৰ ওপৰত বিশেষভাৱে দৃষ্টি দিব , সেয়ে আমি আগতকৈ আৰু বেছি আদৰ্শবান হৈ তেওঁলোকৰ ওপৰত নিজৰ উত্তম প্ৰভাব বিস্তাৰ কৰিব লাগিব।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে উক্ত আয়াত সমুহত আল্লাহ তায়ালা মোমিন সকলক স্পষ্টভাৱে কৈছে যে যদি তোমালোকে আল্লাহ তায়ালাৰ সন্তষ্টি অৰ্জন কৰিব বিচৰা তেন্তে নিজৰ নিজৰ ধৰ্ম আল্লাহৰ নিমিত্তে নিশ্চিত কৰা। যদি সেয়া নকৰা তোমালোকৰ উন্নতি নহয় বৰং ভ্ৰষ্টাচাৰিতাৰ গ্ৰাসত পৰিবা।আনহাতে মছ্জিদৰ যি উদ্দেশ্য আছে সেয়া পূৰ্ণ কৰিব লাগিব তেহে আল্লাহ তায়ালাৰ পুৰুস্কাৰ লাভ কৰা যাব।

আজিকালি যত বিৰুদ্ধবাদী সকলে আহমদীয়াতৰ ওপৰত অন্যায় অত্যাচাৰ আৰু আতংকৰ সীমা চেৰাই গৈছে তাত আমাৰ আৰু বেছি আল্লাহৰ ইবাদতৰ প্ৰতি মনোযোগী হৈ পৃথিৱীক ইছলামৰ প্ৰকৃত শিক্ষাৰ সৈতে পৰিচিত কৰাব লাগিব।হজৰত মছিহ মাওউদ (আইঃ) য়ে কৈছে কোৰ-আন শ্বৰিফত লিখা আছে যে (উদউহু মুখলিচিনা লাহুদ্দিন) একাগ্ৰচিত্তে খোদা তায়ালাক স্মৰণ কৰা উচিত আৰু তাৰ কৰুণা কৃপা বাৰে বাৰে মনত পেলাৱ লাগে। ইবাদতৰ মূল ভাব হল প্ৰকৃততে নিজকে নিজে এনেদৰে সাজু কৰি লোৱা যেনিবা খোদা তায়ালাক দেখা গৈ আছে , প্ৰত্যেক ধৰণৰ পঙ্কিলতা আৰু সকলো ধৰণৰ শিৰিকৰ পৰা পাক হৈ যোৱা, আৰু মহানতা আৰু তাৰেই ৰবুবিয়তৰ প্ৰতি দৃষ্টি ৰখা। উল্লেখ কৰে যে দোৱা মাছুৰা আৰু আন আন দোৱাবোৰ বেছি বেছি পাঠ কৰক আৰু বেছি তওবা ইস্তেগফাৰ কৰক। বাৰে নিজৰ দূৰ্বলতাবোৰ প্ৰকাশ কৰক। তেহে প্ৰবৃত্তি পাক হব আৰু খোদা তায়ালাৰ সৈতে সচাঁ সম্পৰ্ক স্থাপন হব আৰু চেনেহত আপোন পাহৰা হৈ যাব পৰা যাব। আৰু কয় যে আমি নিজকে নিজে বিচাৰ কৰিবলৈ সংশোধন কৰিব লাগিব আৰু সৰু সৰু বিষয় বোৰলৈ যি দুঃখ মনোমালিন্য, আৰু অশান্তি বিৰাজ কৰি আছে সেইবোৰ দূৰ প্ৰকৃতাৰ্থে ৰোজাৰ হক আদায় কৰোতা হব লাগিব। আল্লাহ তায়ালাৰ নিমিত্তে একাগ্ৰচিত্তে ইবাদত কৰোঁতা হোৱা , আৰু তাৰ আদেশ পালন কৰোতা হোৱা। এনেদৰে আন এঠাইত হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে এতিয়া ইছলাম যিটো বস্তুৰ নাম তাত বিভাজনৰ সৃষ্টি হৈ গৈছে । সকলো কু সংস্কাৰ ভৰি পৰিছে। (মুখলিচিনা লাহুদ্দিন) শব্দত উল্লেখিত একাগ্ৰতা আচমানলৈ উধাও হৈ গৈছে। অৰ্থ্যাৎ ইয়াৰ কোনো অস্তিত্বই দেখিবলৈ পোৱা নাযায়। খোদা তায়ালাৰ সৈতে সত্য আনুগত্য , একাগ্ৰতা প্ৰেম , আৰু খোদা ভৰষা লুপ্ত হৈ পৰিছে। আল্লাহ তায়ালা এতিয়া আকৌ নতুনকৈ এই শক্তিবোৰ জগাই তুলিবলৈ ইচ্ছা কৰিছে। তেখেত (আঃ) কৈছে যে এতিয়া সেই যুগ চলি আছে। যত গৰ্ব অহংকাৰ , লোক দেখুওৱা আত্মম্ভৰিতা, ঘৃণা , কদৰ্যতাই বুকু ফিন্দাই সকলোতে উন্নতি কৰিবলৈ লৈছে। খোদা ভৰষা, নিৰ্ভৰশীলতা বোলা বস্তুটো বিলুপ্ত হৈ গৈছে। সেয়ে এতিয়া খোদা তায়ালাৰ ইচ্ছা যে আকৌ এই বিলাক বস্তুৰ বীজ ৰুপন কৰা যাওঁক।

হুজুৰ আনোৱাৰ (আঃ) য়ে কৈছে যে এই ৰোপন হজৰত মছিহ মাওউদ (আঃ)ৰ জৰিয়তে সেই চৰিত্ৰ সমুহ জীয়াই তুলিলৈ নিশ্চিত কৰি দিয়া। সেয়ে আগলৈ এই ৰোপন হোৱা বীজৰ গজালিৰ পৰা হোৱা বৃক্ষৰ ডাল আমি হব লাগিব আৰু এয়া আমি তেতিয়াহে কৰিব পাৰিম যেতিয়া একাগ্ৰচিত্তে আল্লাহৰ নিমিত্তে উপসনা কৰিম। বেলেগৰ পঙ্কিল দুৰ্বলতা চাই নিজৰ কেৰুণবোৰ সংশোধন কৰি লোৱাৰ চেষ্টা কৰিব লাগিব। আনহাতে আল্লাহ তায়ালাৰ সন্তষ্টি বাকী সকলো ফজিলতৰ ওপৰত প্ৰাধান্য লাভ কৰক। আন এঠাইত তেখেত (আঃ) য়ে কৈছে যে আমল সম্পন্ন কৰিবলৈ একাগ্ৰচিত্ত হল চৰ্ত, গতিকে কেৱল সন্তষ্টি অৰ্জনৰ ব্যাকুলতা নাই, তেনে আমল অৰ্থহীন।

আকৌ আন এঠাইত তেখেত (আঃ) য়ে কৈছে যে - এয়ে স্পষ্ট যে কোৰ-আন শ্বৰিফৰ বিধিমতে মানবৰ বাহ্যিক অৱস্থা তাৰ চাৰিত্ৰিক আৰু আধ্যাত্মিক অৱস্থাৰ সৈতে এটা অবিছিন্ন সম্পৰ্ক গঠিত আছে। ইমানেই আছে যে মানুহৰ খোৱা লোৱাৰ পদ্ধতিয়েও মানুহৰ নৈসৰ্গিক আৰু চাৰিত্ৰিক আৰু আধ্যাত্মিক অৱস্থাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। তেখেত (আঃ) য়ে আৰু কৈছে যে যদি এইবিলাক নৈসৰ্গিক অৱস্থাৰ সৈতে শৰিয়ৰত নিৰ্দেশ অনুযায়ী কাম কৰা হয়। যেনেকৈ লৱণ,মিহলালে

সকলো বস্তু তিত হৈ যায় তেনেকৈ এই সকলোবোৰ অৱস্থাই এটা চৰিত্ৰত পৰিণত হৈ যায়।আকৌ তেখেত (আঃ)য়ে কৈছে যে মানুহৰ আধ্যাত্মিক অৱস্থা উন্নত কৰিবলৈ নৈসৰ্গিক চাহিদাও গুৰুত্ব বহন কৰে। সেয়ে নিয়মিত ভাবে ভোজন আদি কৰাও প্ৰয়োজন আছে। নিয়মিত সময়ৰ দূৰত্বত কৰা ভোজনৰ পৰা মানুহৰ চৰিত্ৰও তেনেদৰেই গঢ় লয় আৰু আল্লাহ তায়ালাৰ ইবাদতৰ ফালে মনোযোগ নিৰন্দ ৰাখে। আল্লাহ তায়ালা কৈছে যে (ওয়া কুলু ওয়াসৰাবু ওয়ালা তুছৰিফু)অৰ্থ্যাৎ নিশ্চয় খোৰা আৰু পান কৰা কিন্তু খোৰা পিয়াত অযথা কোনো ধৰণৰ অতিৰিক্ততা বা পৰিমানতকৈ কম নকৰিবা কাৰণ ইয়াৰ দ্ধাৰাও নীতি নিয়মৰ বিশৃংখলা ঘটে, যাৰ প্ৰভাৱ গৈ আধ্যাত্মিকতাৰ ওপৰত পৰে। গতিকে এজন প্ৰকৃত ভৃত্যই যিয়ে একাগ্ৰতাৰে আল্লাহ তায়ালাৰ উপসন কৰে তেওঁ কেৱল নিজৰ ৰূহানি অৱস্থাৰেই উন্নতি নকৰে বৰং আল্লাহ তায়ালাৰ সৈতে দৃঢ় সম্পৰ্ক গঢ়ে নিজৰ শাৰীৰিক অৱস্থা ঠিক ৰাখে। আনহাতে আল্লাহ তায়ালাৰ আগ্ৰহৰাজি সমুহ আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে সদা সৰ্বদা ব্যৱহাৰ কৰি থাকে

হুজুৰ আনোৱাৰ (আঃ) য়ে কৈছে যে আমাৰ এই মৰকজখন গঢ়ি উঠাত আল্লাহ তায়ালাৰ কৃতজ্ঞতা বজাই ৰখাৰ নিমিত্তে আমি আমাৰ উপসনাৰ মান উচ্চ কৰাৰ অত্যন্ত প্ৰয়োজন আছে। আৰু লগতে চাৰিত্ৰিক মানদণ্ডও উন্নত কৰাৰ প্ৰয়োজন আছে। বিশেষকৈ এই অঞ্চলৰ বাসিন্দা সকলক আমি ইছলামৰ মনোমোহা শিক্ষা সম্পৰ্কে অৱগত কৰিবলৈ আমি আমাৰ কথা আৰু কাৰ্য্যৰে সেয়া আমল কৰি দেখুৱাৰ প্ৰয়োজন হব। যদি আমি এইবোৰ বিষয় অৱগত লৈ নিজৰ জীৱন অতিবাহিত কৰো তেন্তে এয়াই আমাৰ তবলিগৰ ডাঙৰ উপায় হব। এই কৰ্মবোৰ আমাক আল্লাহ তায়ালাৰ কৃতজ্ঞ বনোৱাৰ লগে লগে তাৰ কৃপাৰ অধিকাৰী বনাব।

হুজুৰ আনোৱাৰ (আঃ)য়ে কয় যে এইখিনিতে এয়াও মনত ৰখা উচিত যে কিছুমান লোক আছে যে তেওঁলোকে ওচৰ চুবুৰীয়া আৰু বাহিৰত মিলা লোকৰ সৈতে বৰ ভাল ব্যাৱহাৰ কৰে কিন্তু নিজৰ ঘৰখনত পৰিয়ালৰ সৈতে ভাল আচৰণ নকৰে। এয়া কেৱল তেওঁলোকৰ নিজৰ কথা বা বিষয় নহয় কাৰণ এই বিষয়বোৰে জমাতী একতা আৰু শান্তিৰ ওপৰত ক্ৰিয়া কৰে। ঘৰৰ অশান্তিয়ে লৰা-ছোৱালীৰ ওপৰত বেয়া প্ৰভাৱ পেলায় আৰু ভৱিষ্যতত গৈ সেই লৰা-ছোৱালী জমাতৰ ভাল অংশীদাৰ হোৱাৰ সলনি জমাতৰ পৰা দূৰ এনেকি ধৰ্মৰ পৰাও আতঁৰি পৰে। গতিকে ইছলাম বিস্তাৰ কৰিবলৈ আৰু নিজৰ দ্বীন আল্লাহ তায়ালাৰ নিমিত্তে দৃঢ় ৰাখিবলৈ প্ৰয়োজন হল নিজৰ ভৱিষ্যত প্ৰজন্মক চম্ভালি ৰখা। গতিকে এনে ঘৰ বিলাকত যত এনেকুৱা পৰিবেশ সৃষ্টি হৈ আছে, তেওঁলোকে নিজৰ ঘৰখনৰ শান্তি আৰু নিৰাপত্তা অটুট ৰাখিবলৈ চেষ্টা কৰক। ঠিক এনেদৰে যিসকল মহিলায় সামান্য কথাতে ক্ৰোধান্বিত হৈ পৰে, তেওলোকে লৰা-ছোৱালীৰ ভাল তৰবিয়ৰ কাৰণে নিজৰ এই পৰিস্থিতি পৰিবৰ্তন কৰাৰ অতি প্ৰয়োজন আছে। এই ৰমজানক উক্ত বিষয়ৰ সংস্কৰণত উত্তম বনাই লওঁক। যাতে নিজৰ ঘৰখন এই মাহৰ বৰকতৰে সুন্দৰ কৰি তোলা যায়। তাকওয়াৰ ক্ষেত্ৰত আমি দ্ৰুত আগবাঢ়ি যাব লাগিব। যিমান বেছি বেছি আল্লাহ তায়ালাৰ কৃপা আমাৰ ওপৰত বৰ্ষন হৈ আছে, আমি সিমানেই প্ৰত্যেক বিষয়ত খোদা তায়ালাৰ সন্তুষ্টিৰ বাট বিচাৰি লোৱাৰ চেষ্টা কৰিব লাগিব।

হুজুৰ আনোৱাৰ (আঃ) য়ে কয় যে আল্লাহ তায়ালা যি কেন্দ্ৰ ইয়াত আমাক দান কৰিছে, ইয়াৰ আচল উদ্দেশ্য হলইয়াক আমি দ্বীনৰ প্ৰয়োজনীয়তাত ব্যাৱহাৰ কৰিব লাগিব। কিন্তু জাগতিক দৃষ্টি কোণতও এয়া আল্লাহ তায়ালাৰ অশেষ কৃপা যে আল্লাহ তায়ালা এই মৰকজৰ মাজেৰে আমাক দ্বীনি আৰু দুনীয়াদাৰী দুয়ো ফালেৰে পুৰুস্কৃত কৰিছে।গতিকে খোদা তায়ালাৰ সত্বাক দেখুৱাবলৈ আমাৰ বাক্য আৰু কাৰ্য্য এনে হব লাগিব যিয়ে বেলেগক মগ্ন কৰিব পাৰে। গতিকে আমি যি ফালৰেই নাভাৰো কিয় আল্লাহ তায়ালাৰ সমীপত আমাৰ সীৰনত হৈ পৰে যে তেওঁ নিজ কৃপাৰে আমাক এনেকুৱা এটা বস্তি গঢ়ি তোলাৰ তৌফিক দান কৰিছে। আল্লাহ তায়ালা আজি আমাক পৃথিবীৰ এনেকুৱা এখন ঠাইত আমাৰ কেন্দ্ৰ গঢ়ি তোলাৰ তৌফিক দান কৰিছে যত তৌহিদৰ লেশ মাত্ৰ নাই বৰং শিৰিক চাৰিওফালে ভৰপুৰ। গতিকে ইয়াৰে পৰা আকৌ নতুন উদ্যমেৰে তৌহিদ প্ৰচাৰৰ কাম আমি আৰম্ভ কৰিব লাগিব আৰু আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসৰ মিচন সম্পুৰ্ণ কৰিব লাগিব। যাতে সেই দিন আহে যে গাঁৱে-ভূৰে, চহৰে-নগৰে, আল্লাহ তায়ালাৰ তৌহিদৰ ঘোষনা কৰে। আনহাতে আজি যিসকলে আঁহজৰত (ছাঃ)ক কটু কথাৰে সমলোচনা কৰি আছে, তেওলোকে যেন সেয়া পৰিহাৰ কৰি আঁহজৰত (ছাঃ)ৰ পতাকা তলত জমা হৈ নিজকে গৌৰৱ বোধ কৰোঁতা হয়। আৰু তেখেত (ছাঃ)লৈ দৰূদ প্ৰেৰণ কৰোঁতা হয়।গতিকে প্ৰত্যেক আহমদীৰ দায়িত্ব হল

যে কেনেকৈ  দোৱা আৰু আমলেৰে খলিফা ওয়াক্তক সহায় কৰা যায়।

যিয়েই নহওক আগৰ খলিফা সকলৰ বিষয়ে মই নাজানো কিন্তু মোৰ সময়ত এয়াই প্ৰথম যে আল্লাহ তায়ালা আমাক ৰমজান মাহত মছজিদৰ শুভাৰম্ভ কৰিবলৈ দিছে। গতিকে এই কল্যানময় মাহত আহমদীয়াতৰ উন্নতি আৰু পৃথিবীৰ এই কোণত নিৰ্মান হোবা এই মৰকজৰ উদ্দেশ্য সাফল্য মণ্ডিত হোৱাৰ নিমিত্তে ভৰপুৰ দোৱা কৰক যাতে এই কেন্দ্ৰৰ সকলো সা-সুবিধাৰ জন্ম হয়আৰু ইয়াৰ চাৰিওফালে আহমদীয়াত যেন বিস্তাৰ লাভ কৰে। আমি যেন লোকৰ ইছলামলৈ অহাৰ দৃশ্য অৱলোকন কৰিব পাৰো।বিৰুদ্ধবাসী সকলৰ সকলো ষড়যন্ত্ৰমুলক পৰিকল্পনা যেন মযিমূৰ হোৱ দেখিবলৈ পাওঁ। ৰাবওয়া লৈ যোৱাৰ বাট যেন আমাৰ সকলোৰে বাবে উন্মোচন হয়। মছিহ (আঃ)ৰ পবিত্ৰ ভূমি কাদিয়ানলৈ যোবাৰ বাট যেন উন্মোচন হয়। আনহাতে মক্কা মদিনালৈ যোৱাৰ বাবে আমাৰ সকলো বাধা দূৰীভূত হয়। সেয়া হল আমাৰ প্ৰাণ প্ৰিয় মওলা হজৰত মহম্মদ মোস্তফা(ছাঃ)ৰ বস্তি আৰু ইছলামৰ চিৰস্থায়ী প্ৰাণ কেন্দ্ৰ।গতিকে প্ৰকৃত ইছলামৰ বাৰ্তাআকৌ যেন তোমালোকে পায় আৰু আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাসৰ যেন সত্যায়ন কৰোতা হয়। আল্লাহ তায়ালা অজ্ঞতা বশতঃ আখেজ ৰাখোতা সকলৰ পৰ্দা খুলি দিয়ক আৰু যিসকলে চয়তানী কৰি নিজৰ উদ্দেশ্য সফলৰ নিমিত্তে আমাতুল মুছলেমিনৰ অন্তৰ হজৰত মছিহ মাওউদ (আঃ)ৰ জমাতৰ বিৰুদ্ধে উচটনি দি আছে। আল্লাহ তায়ালা তেওলোকক গ্ৰপ্তাৰৰ ব্যাৱস্থা কৰক। মুছলমান সকলে হজৰত মছিহ্ মাওউদ (আঃ)ৰ হাতত জমা উম্মতে ওয়াহেদা হৈ ইছলামৰ প্ৰকৃত শিক্ষাৰ কাৰ্য্যকৰী উদাহৰণ হওঁক। যাতে অতি সোনকালে অমুছলিম জগতখনও ইছলামৰ পতাকাৰ তলত আহি অৱস্থান কৰে।

হুজুৰ আনোৱাৰ (আঃ)য়ে উক্ত মছজিদ নিৰ্মান কাৰ্য্যৰ পৰিকল্পনাৰ কিছুমান কোয়ায়েফ বৰ্ণনা কৰোতে কয় যে আল্লাহৰ কৃপাত এই মছজিদত আৰু ইয়াৰ লগত মিলাই বনোৱা হল প্ৰায় দুহেজাৰ লোকৰ নমাজ পঢ়াৰ (জমাতত) সুবিধা হৈছে। হুজুৰ (আইঃ) য়ে মছজিদ নিৰ্মান আৰু আৰু সজ সজ্জাৰ বাবে খিদমত কৰোঁতা  জামাতৰ সদস্য সকলৰ নিমিত্তে দোৱা কৰে যে আল্লাহ তায়ালা সিহঁতক উত্তম প্ৰতিদান দিয়ক। উল্লেখ কৰিছে যে এইম পৰিকল্পনাৰ বাবে কোমো ধৰণৰ তেহেৰিক কৰা হোৱা নাছিল। কিন্তু এয়া বৰ ডাঙৰ পৰিকল্পনা আছিল। মই মাজে সময়ে চিন্তা কৰিছিলো যে কেনেবাকৈ যেন এই পৰিকল্পনা বাধাৰ সন্মুখীন নহয় কিন্তু আল্লাহ তায়ালা তাৰ কৰুণাৰে এই পৰিকল্পণা সফল কৰি তুলিছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে  যে আল্লাহ তায়ালা সাধাৰণতে জমাতক যি মাল কোৰবানীৰ সমৰ্থ দান কৰিছে, তাৰে পৰাই এই সকলোবোৰ পৰিকল্পনায় সম্পুৰ্ণতা লাভ কৰিছে। ভৱিষ্যতেও এনেদৰেই সম্পূৰ্ণ হৈ  থাকিব ইনশা আল্লাহ। আল্লাহ তায়ালা জামাতী সকলকসম্পদ শক্তি বেছি বেছি বঢ়াই দিয়ক। এই সমস্ত পৰিকল্পনা সাধাৰণ জামাতী বাজেটৰ পৰা লোৱা হৈছে গতিকে গোটা বিশ্বৰ জামাত বোৰেই ইয়াত অংশ লৈছে। গতিকে ইয়াত কম বেছি বৰঙনি দিয়াৰ কোনো হিচাপ নাই। আল্লাহ তায়ালা সকলোকে ইয়াৰ প্ৰতিদান দিয়ক আৰু তেওঁলোকৰ ধন সম্পদত ,জন ,প্ৰাণত অশেষ বৰকত দান কৰক। (আমিন)

**********

# (BOOK POST PARINTED MATTER)

**Assamese Khulasa Khutba Jumma Huzoor Anwar 17 May.. 2019**

To ------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844